# মৰমৰ দেউতা

(জীৱনী)



অনিমা নেওগ

প্ৰকাশক ঃ
বৰ্ণমালা প্ৰকাশন
তৰুণৰাম ফুকন পথ, যোৰহাট-১
দূৰভাষ ঃ ৯৪৩৫৪-৩৫৮৮৮

ISBN 978-81-926675-5-2

লেখিকা ঃ অণিমা নেওগ

© লেখিকা

প্ৰকাশকাল ঃ জুলাই, ২০২০

ডি টি পি - অংগসজ্জা ঃ মিণ্টু বৰা, প্ৰতাপ শৰ্মা

মুদ্ৰণ ঃ বৰ্ণমালা অফছেট ডিভিজন,যোৰহাট-১
দূৰভাষ ঃ ৮০১১৪-৩৩০২০

মূল্য ঃ ৬৫/- টকা

# উচৰ্গা

আমাৰ দউৰ দৰে ত্যাগ
আৰু মমতাৰ প্ৰতীক
সহস্ৰজন দেউতাৰ চৰণত

**অনিমা নেওগ**

# একাষাৰ

মই জানো আমাৰ দেউতা (যাক আমি দউ বুলি মাতো) সৰ্বসাধাৰণৰ ভাষাত এজন সৰু মানুহ। মই ইয়াকো জানো প্ৰত্যেক ব্যক্তিৰে ব্যক্তিত্ব সুকীয়া সুকীয়া। সৰু মানুহৰ জীৱনৰ এনে কিছুমান গুণ বিদ্যমান, যিবোৰ ডাঙৰ মানুহৰো নেথাকে। ওপৰে ওপৰে চালে তাক অনুধাৱন কৰিব নোৱাৰিব পাৰি, গভীৰ ভাৱে সূক্ষ্ম দৃষ্টিৰে নিৰীক্ষণ কৰিলে সি ওলাই পৰে।

মোৰ দেউতাও তেনে এজন সৰু মানুহ। সৰু মানুহ মানে আৰ্থিক ক্ষেত্ৰত দুৰ্বল, কিন্তু মনেৰে সবল। এখন সমাজক নেতৃত্ব দি আগবঢ়াই নিব পৰা দক্ষতা তেওঁৰ আছিল। তেওঁৰ মহানুভৱতা, ত্যাগ আৰু আদৰ্শই আমাক মানুহ হ'বলৈ শিকালে।

এই গ্ৰন্থখনত মই তেওঁৰ জীৱনৰ কিছু কিছু কথাহে প্ৰকাশ কৰিছো। যিবোৰ মই জানিব পাৰিছিলো। মই নজনাকৈ চাগে এনে বহু কথা লুকাই আছে। যিবোৰ উদ্‌ঘাটন কৰা আমাৰ পক্ষে সম্ভৱেই নহয়। দেউতাৰ মুখে মই যিবোৰ শুনিছিলো, যিবোৰ মই নিজ চকুৰে দেখিছিলো, সেইবোৰকে হুবহু আঁকি দিছো। মিছাৰ প্ৰলাপ এটিও নাই। কল্পনাৰ ৰহনীয়া প্ৰলেপো পৰিবলৈ দিয়া নাই। বাস্তৱৰ সঁচা ঘটনাকে হুবহু লিপিবদ্ধ কৰিছো। সেয়ে মাজে মাজে ঠেৰুছিগাৰ নিচিনা অনুভৱ হয়। আবেগে থেলাহেঁচা কৰা বাবে , দুখে হিয়া বিগলাই তোলা বাবে কেতিয়াবা অজানিতে কিছুমান ভুল হৈ যাব পাৰে, পাঠকসমাজে দোষ মৰিষণ কৰিলে আমাৰ দেউতাৰ আত্মাই শান্তি পাব আৰু মই ঋণমুক্ত হ'ব পাৰিম। উপায় নাই দেউতাৰ প্ৰতি থকা মোৰ সীমাহীন শ্ৰদ্ধা-ভক্তিৰ বাবে এইয়া মাত্ৰ ক্ষুদ্ৰ শ্ৰদ্ধাঞ্জলিহে। দেউতাৰ অক্লান্ত পৰিশ্ৰমৰ ঋণ সুজিব পৰাৰ ক্ষমতা মোৰ নাই। মনক প্ৰবোধ দিবৰ বাবে দেউতাৰ স্মৃতিক যুগমীয়া কৰাৰ বাসনা জাগে।

সেয়ে যোৱা ২০১৫ চনৰ পৰাই মই খনামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হাইস্কুল শেষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰোঁতাক এখন মানপত্ৰ সহ কিছু টকা দেউতাৰ স্মৃতিত দি আহিছো। মনতে ভাবিছো এইবাৰৰ পৰা মা-ৰ স্মৃতি ৰক্ষাৰ্থেও ব্যৱস্থা ল'ম। একে স্কুলতে উচ্চতৰ মাধ্যমিক শেষান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰোঁতাক দিম বুলি ভাবিছো। এইয়া মোৰ মা-দেউতাৰ প্ৰতি ঋণ সুজাৰ ক্ষুদ্ৰ প্ৰয়াস।

সোণসেৰীয়া স্মৃতিবোৰক (য'ত আমাৰ সপোনে পোখা মেলিছিল) ধৰি ৰাখিবৰ হেঁপাহ জাগে। সেয়ে লিখিলো। সদাশয় পাঠকসমাজে মোৰ প্ৰয়াসক ভুল নুবুজিব, দোষ নধৰিব।

কিতাপখন প্ৰকাশ কৰিবৰ বাবে আগবাঢ়ি অহা বৰ্ণমালা প্ৰকাশনৰ স্বত্বাধিকাৰী তথা কৰ্মকৰ্তাক শলাগ ল'লো

অণিমা নেওগ
দোক-মোকালি
সুৰাগপুৰ, তৰুণৰাম ফুকন পথ
চোলাধৰা
ম'বাইল নং - ৯৪৩৫৩-৫০৮৬২